**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 13-10-2026**
**Time : 19-10 Hrs**

# HEADLINES

০০০০০

১। কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ দৃষ্টিভংগীত সবলীকৰণৰ শক্তিৰ নীতিয়ে বাস্তৱ ৰূপ লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। নতুন দিল্লী মহলে লাডাখ ভাৰতৰ অবিচ্ছেদ্য তথা অভিন্ন অংগ আৰু চীনৰ প্ৰত্যাখ্যানে এই প্ৰতিষ্ঠিত তথ্য সলনি কৰিব নোৱাৰে বুলি পুনৰ মন্তব্য কৰিছে।

৩। আয়ুষ মন্ত্ৰালয়ে চৰ্ম ৰোগৰ চিকিৎসা আৰু ব্যৱস্থাপনাৰ বাবে আয়ুৰ্বেদ, সিদ্ধ, য়ুনানী আৰু হোমিঅ'পেথিৰ সৈতে যোগাভ্যাসৰ অন্তৰ্ভুক্তিৰে মানক নিৰ্দেশনা জাৰি কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত অনুষ্ঠিত দ্বিতীয় জাম চাহেব সোঁৱৰণী যুৱ বিনিময় কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা যুৱকসকলক সাক্ষাৎ কৰে।

*আৰু*

৫। পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশত আজি পুৱা হোৱা ৰে'লদুৰ্ঘটনাত ছজন লোকে প্ৰাণ হেৰুৱায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি জি এছ্ টি পৰিষদ গঠনৰ দৰে উদ্যমৰ জৰিয়তে কিদৰে এই দৃষ্টিভংগী বাস্তৱায়িত কৰা হৈছে, সেই বিষয়ে আলোকপাত কৰা হৈছে। ২০১৭ চনৰ পহিলা জুলাইত প্ৰৱৰ্তন কৰা সামগ্ৰী আৰু সেৱাকৰ - জি এছ্ টি ব্যৱস্থা দেশৰ কৰ সংস্কাৰ যাত্ৰাৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰসমূহক একীকৃত পৰিকাঠামোৰ আওঁতালৈ আনি জি এছ্ টি ব্যৱস্থাই এখন দেশ-এটা কৰ ব্যৱস্থাৰ নীতি কাৰ্য্যকৰী কৰিছে আৰু সমগ্ৰ দেশত কৰ-ব্যৱস্থা সুচল কৰি তোলাত সহায় কৰিছে। জি এছ্ টি পৰিষদে যোৱা বছৰ গ্ৰহণ কৰা নতুন প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ জৰিয়তে পূৰ্বৰ ৫, ১২, ১৮ আৰু ২৮ শতাংশৰ চাৰিটা স্তৰৰ সৰলীকৰণ কৰি ৫ আৰু ১৮ শতাংশৰ দুটা স্তৰৰ ব্যৱস্থালৈ ৰূপান্তৰ কৰিছে। নতুন দিল্লীত আজি ব্লুমবাৰ্গ নিউ ইক'নমি ফৰাম মঞ্চত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে জি এছ্ টিৰ মাধ্যমেৰে চৰকাৰে কৰৰ জটিল ব্যৱস্থাক ৰাষ্ট্ৰীয় বজাৰলৈ ৰূপান্তৰ কৰিছে।

-বাইট(মোদী)-

নতুন দিল্লীত অলপতে অনুষ্ঠিত সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৮ সংখ্যক বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে পৰিষদে জি এছ্ টি

ব্যৱস্থাৰ অধীনত গ্ৰেপ্তাৰৰ ক্ষমতাৰ বিলুপ্তি আৰু মোকৰ্দমা চলোৱাৰ সীমা এক কোটিৰ পৰা ৫ কোটি টকালৈ বৃদ্ধি কৰাৰ পৰামৰ্শ আগবঢ়াইছে।

-বাইট(নিৰ্মলা)-

বিগত ৯ বছৰত নিৰ্ধাৰিত প্ৰক্ৰিয়া আৰু কৰ হাৰৰ উদাৰীকৰণে ব্যৱস্থাটো অধিক স্বচ্ছ, উত্তৰদায়ী কৰি তুলিছে, অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰিছে আৰু এক ভাৰত-স্বচ্ছ ভাৰতৰ দৃষ্টিভংগী সুদৃঢ় কৰিছে।০০০০০০০

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ দৃষ্টিভংগীত সৰলীকৰণৰ শক্তিৰ নীতিয়ে বাস্তৱ ৰূপ লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ব্লুমবাৰ্গ নিউ ইক'নমি মঞ্চত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে বিশ্বজোৰা অনিশ্চয়তাৰ মাজতো শক্তিশালী ভেঁটিৰ বাবেই ভাৰতৰ অৰ্থনৈতিক বিকাশ অব্যাহত আছে। দেশৰ প্ৰগতি সমূহীয়া বিকাশ আৰু উমৈহতীয়া সুযোগত নিহিত হৈ আছে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ দক্ষতাই যাতে অন্য দেশৰ বাবেও সুযোগৰ নতুন দ্বাৰ মুকলি কৰিব পাৰে তাৰ বাবে চৰকাৰে অহৰহ চেষ্টা চলাই আছে।

০০০০০

নতুন দিল্লী মহলে লাডাখ ভাৰতৰ অবিচ্ছেদ্য তথা অভিন্ন অংগ  আৰু চীনৰ প্ৰত্যাখ্যানে এই প্ৰতিষ্ঠিত তথ্য সলনি কৰিব নোৱাৰে বুলি পুনৰ প্ৰকাশ কৰিছে। চীনে অলপতে লাডাখ সম্পৰ্কে কৰা মন্তব্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি কয়, যে বিষয়টো সন্দৰ্ভত গৃহ মন্ত্ৰালয়ৰ বিজ্ঞপ্তি সুস্পষ্ট আৰু কোনো ধৰণৰ অতিৰিক্ত ব্যাখ্যাৰ প্ৰয়োজন নাই। কেন্দ্ৰীয়শাসিত অঞ্চল লাডাখৰ ২৮ টা স্থানক ভাৰতীয় জৰীপ বিভাগৰ আনুষ্ঠানিক মানচিত্ৰত মান স্থান আৰু ভৌগোলিক বৈশিষ্ট্যৰ সৈতে সন্নিৱিষ্ট কৰা বুলি গৃহ মন্ত্ৰালয়ৰ  বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে। লাডাখ প্ৰশাসন আৰু স্থানীয় পক্ষসমূহৰ সৈতে পৰামৰ্শৰ অন্তত এই সিদ্ধান্ত লোৱা হৈছে বুলি শ্ৰীজয়ছোৱালে মন্তব্য কৰে। মুখপাত্ৰগৰাকীয়ে কয়, যে সঠিক স্বীকৃতি আৰু জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই স্থানসমূহক আনুষ্ঠানিক মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগণে মন্ত্ৰীত্ব আৰু ৰাজ্যসভাৰ সদস্যপদ ত্যাগ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা এখন পত্ৰত ড০ মুৰুগণে কয়, যে দিন হাজিৰা কৰা শ্ৰমিকৰ পৰিয়ালৰ পৰা কেন্দ্ৰীয় মন্ত্ৰীসভাত সেৱা আগবঢ়োৱাৰ যাত্ৰা তেওঁৰ জীৱনৰ সবাতোকৈ বৃহৎ সৌভাগ্য। ড০ মুৰুগণে কয়, যে তেওঁ তৃণমূল পৰ্য্যায়লৈ ঘূৰি যাব বিচাৰে আৰু ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে তামিলনাডুত বিজেপিৰ ভেঁটি সুদৃঢ় কৰাৰ বাবে সময় দিব বিচাৰে

০০০০০

আয়ুষ মন্ত্ৰালয়ে চৰ্ম ৰোগৰ চিকিৎসা আৰু ব্যৱস্থাপনাৰ বাবে আয়ুৰ্বেদ, সিদ্ধ, য়ুনানী আৰু হোমিঅ'পেথিৰ সৈতে যোগাভ্যাসৰ অন্তৰ্ভুক্তিৰে মানক নিৰ্দেশনা জাৰি কৰিছে। স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ আয়ুষ বিভাগ আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এই নিৰ্দেশনা যুগুত কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, আয়ুষৰ বিভিন্ন চিকিৎসা পদ্ধতিৰ ক্ষেত্ৰত চিকিৎসাৰ প্ৰক্ৰিয়াক একৰূপত্ব প্ৰদানৰ লগতে মান

নিশ্চিত কৰা আৰু বৈজ্ঞানিক সাক্ষ্য প্ৰমাণ আধাৰিত চিকিৎসাৰ প্ৰসাৰৰ বাবে এই নীতি-নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত অনুষ্ঠিত দ্বিতীয় জাম চাহেব সোঁৱৰণী যুৱ বিনিময় কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা যুৱকসকলক সাক্ষাৎ কৰে। এই বিনিময় কাৰ্য্যসূচী হৈছে ২০২৪ চনৰ আগষ্ট মাহত প'লেণ্ড ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা এক দ্বিপাক্ষিক পদক্ষেপ। এই কাৰ্য্যসূচী প্ৰতি বছৰে প'লেণ্ডৰ ২০ গৰাকী যুৱক-যুৱতীক ভাৰত ভ্ৰমণ কৰি সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাৰ লগতে ভাৱৰ আদান-প্ৰদান কৰিবলৈ আমন্ত্ৰণ জনোৱা হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয়, যে তেওঁলোকৰ কথা-বতৰাৰ সময়ত অংশগ্ৰহণকাৰীসকলে ভাৰত ভ্ৰমণৰ অভিজ্ঞতাসমূহ ব্যক্ত কৰে। তেওঁ লগতে কয়, যে ডব্ৰি মহাৰাজৰ সহানুভূতি আৰু মমতাৰ উত্তৰাধিকাৰী ভাৰত আৰু প'লেণ্ডৰ মাজত থকা সম্বন্ধ অতীজৰে পৰা পালন কৰি অহা হৈছে। এই পদক্ষেপৰ দ্বাৰা দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত প'লেণ্ডৰ শৰণাৰ্থী শিশুসকলক আশ্ৰয় দিয়াৰ বাবে ভাল মহাৰাজ নামেৰে পৰিচিত নৱ-নগৰৰ মহাৰাজ জাম চাহেব দিগ্বিজয় সিংজী ৰঞ্জিত সিংজী জাদেজাক সন্মান জনোৱা হৈছে।

০০০০০

দ্ৰব্যৰ অপ-ব্যৱহাৰে এখন দেশৰ যুৱক-যুৱতীৰ সম্ভাৱনাত বাধাৰ সৃষ্টি কৰিব পাৰে বুলি উল্লেখ কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কয়, যে বিকশিত ভাৰতত এজন সুস্থ, ক্ষমতাশালী আৰু নিচামুক্ত যুৱকৰ প্ৰয়োজন। নতুন দিল্লীত বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ সন্দৰ্ভত অনুষ্ঠিত যুৱ সংবাদত ভাষণ দি শ্ৰীৰিজিজুৱে কয়, যে যিকোনো দ্ৰব্য সেৱনৰ কৰলত পৰা সমাজে সমগ্ৰ প্ৰজন্মক প্ৰভাৱিত কৰে। তেওঁ নিচামুক্ত ভাৰতৰ বাবে সজাগতা, প্ৰতিৰোধ আৰু সামুহিক কাৰ্য্যক জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছে।

-বাইট(ৰিজিজু)-

০০০০০

পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশত আজি পুৱা প্ৰায় ৫ বাজি ১৫ মিনিটত এখন যাত্ৰীবাহী ৰে'লগাড়ী লাইনৰ পৰা বাগৰি পৰাত ছজন যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ৪০ জনতকৈও অধিক লোক আহত হয়। কৰাছীৰ পৰা পেছাৱাৰলৈ প্ৰায় ৫০০ গৰাকী যাত্ৰী কঢ়িয়াই নিয়া ৰহমান বাবা এক্সপ্ৰেছৰ ১৪ টা ডবা মূলতানৰ শ্বেৰশ্বাহ দলঙৰ সমীপত লাইনৰ পৰা বাগৰি পৰে। উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হৈ আহতসকলক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰে। লাইনৰ পৰা বাগৰি পৰাৰ প্ৰকৃত কাৰণ এতিয়ালৈ জানিব পৰা হোৱা নাই।

০০০০০

সমাপ্ত